


শ্ৰীযোগেন দত্ত
দ্বিতীয় বাৰ্ষিক, বিজ্ঞান।

বুজিছে মানুহে বহুতো কল্পনা কৰে। বহুতো আশা কৰে, জীৱনৰ সপোন দেখে অন্ধকাৰ ঘৰৰ মাজতে। কিন্তু কল্পনা, সপোন সকলোবোৰ তেনেকৈয়ে ৰয়— চিৰ জীৱন। সেয়ে মোৰ কোনো বেজাৰ নাই! মই বহুত কল্পনা কৰিছিলো, বহুত ৰঙীন সপোনৰ নিশা অতিক্ৰম কৰিছিলো এদিন। কিন্তু নাই। আজিও সি বাস্তৱত ৰূপ লোৱা নাই। সকলো মানুহ, যিবোৰক মই বুজিলো, ঠিক মোৰ দৰেই—। সকলোৱে ভাৱে, মইও ভাৱো। কাৰোবাৰ ভবামতে হয়, কাৰোবাৰ নহয়। মোৰো হোৱা নাই। ৰাৱণে স্বৰ্গ ৰাজ্যলৈ বাট বান্ধিবলৈ আশা কৰিছিল, নৰকাসুৰে ৺কামাখ্যা দেৱীক বিয়া কৰাবলৈ খুজিছিল, দুৰ্য্যোধনে পাণ্ডৱক ধ্বংস কৰিবলৈ খুজিছিল; কিন্তু এজনেও নোৱাৰিলে, সকলোৱে বিপৰীত ফল হ'ল—। মোৰো ঠিক তেনেকুৱা। মোৰ জীৱন কাহিনী হয়তো আপুনি শুনিব পাৰে, কিয়নো মোৰ দৰে বহুতো মানুহ আছে; যিয়ে বহুতো কল্পনা কৰে, আশা কৰে ৰজা হোৱাৰ। মোক হয়তো পগলা আখ্যা দিব পাৰে, কিন্তু ডাঙৰীয়া এবাৰ গভীৰ ভাৱে ভাবি চাবছোন মোৰ এনেকুৱা দশা কিয় হ'ল। ইয়াৰ বাবে কোন দায়ী আপুনি এবাৰ মাত্ৰ ভাবি চাব। ফুলনিখন আপুনি সাৰ গোবৰ দি ধুনীয়াকৈ ফুল ফুলাইছে, কিন্তু যদি এচাটি ধুমুহাই তাক ধ্বংস কৰি

যায় তেতিয়া কাক দুখিব ? মোৰো জীৱনৰ ওপ-ৰেদি বহুতো ধুমুহা পাৰ হৈ গৈছে, আৰু বহুতো যাবলৈ বৈ আছে। মোৰ জীৱন কাহিনী আপোনাক এইবাবেই ক'ম কিয়নো এইবোৰ কথা আজি মই কাৰোবাক নকলে মোৰ আত্মাই শান্তি নেপাব—মো'ৰ মৃত্যুৰ পিচত মই অকলে এজন লম্পট আৰু অলাগতীয়াল মানুহ হিচাবে পৰিচয় পাম ? এইটো মই হবলৈ নিদিও, কিয়নো মোৰ বহুতো মানুহ এইখন সমাজত, সেয়ে আপোনাক কওঁ—শুনক।—

মোৰ জন্ম তাৰিখ আৰু চন মনত নাই ! তথাপিও অনুমান কিজানি ১৯২০ চন মানত মই আমাৰ গাওঁখনত জন্ম লৈছিলো। চহৰমুখী গাওঁ দেউতা আছিল তাৰ বৰকৰ্ত্তা। মানে আমিয়েই গাওঁখনৰ ভিতৰত ধনী মানুহ আছিলো। আমাৰ ঘৰৰ সম্মান আছিল আৰু বোধহয় সেই বাবেই মইও আছিলো আমাৰ লগৰীয়াৰ দলপতি, ধৰ-মুৰীয়া সকলো। আমাৰ ঘৰৰ অহংকাৰ আৰু গৰ্ব্ব আছিল বৰ বেচি। মইও ঘৰক অনুকৰণ কৰিবলৈ বাধ্য হৈছিলো। দেউতাৰ পৰা মোৰ প্ৰথক শিক্ষা কথা আছিল কি জানে ? দেউতাই কৈছিল—"দুখীয়াবোৰ মানুহ ন'মৰ যোগ্য নহয়, সিহঁত আমাৰ চাকৰ, সিহঁতৰ লগ লব নেপায়।" মোৰ কুমলীয়া মনত তেতিয়া এই কথাষাৰে বৰকৈ দাচ ৰহিছিল—তাক মচিব পৰা যোৱা নাই।

অষ্টম মান শ্ৰেণীৰ পৰাই মই ছোৱালীৰ প্ৰেমত পৰো। মই আছিলো স্কুলৰ নেতা, দেখনিয়াৰ নহলেও মোৰ আছিল টকা। সকলোৱে মোক ভয় কৰিছিল। সেয়ে ছোৱালীবোৰে মোক ভয় কৰিছিল আৰু ৰক্ষাৰ উপায় বিচাৰি মোৰ লগত কথা-বতৰা পাতিছিল। মই তাকেই প্ৰেম বুলি ভাবিছিলো। বহুতো ছোৱালীৰ প্ৰেমত মই পৰিছিলো। পঢ়াতো মই বৰ বেয়া নাছিলো কিন্তু মোৰ পঢ়াশুনাৰ ইচ্ছা নাছিল। তেতিয়া ছোৱালীৰ লগত কথা পতা, নগৰলৈ গৈ চিনেমা চোৱা মোৰ প্ৰধান কাম আছিল। বহুতো ছোৱালী মোৰ লগত পৰি সিহঁতৰ জীৱনক অভিশপ্ত কৰিছে। মই দ্বিতীয় বিভাগত মেট্ৰিক পাচ কৰিছিলো। কলেজলৈ আহিলো। গুৱাহাটী চহৰৰ বতাহ মোৰ বেচ আমোদৰ বস্তু হ'ল। কলেজৰ প্ৰথম বছৰতেই এটা ঘটনা ঘটিল। আমাৰ স্কুলৰে ছোৱালী এজনী মোৰ লগত পঢ়িছিল। কিন্তু ছমাহৰ পিচতেই তাই আত্মহত্যা কৰিলে। কিয় জানে, তাই অন্তঃসত্তা আছিল। গাৱৰ মানুহে মোৰ ওপৰত দোষ দিছিল যদিও দেউতাৰ ৰঙা চকুত মাতিব পৰা নাছিল। কিন্তু দোষ আছিল মোৰ। সেই কল্পনা নামৰ ছোৱালীজনীৰ মৃত্যুৰ বাবে দায়ী মই। সেই বছৰ মই ফেল কৰিলো পৰীক্ষাত। কিন্তু দেউতাৰ পৰা মই কোনো কথা শুনিবলগা হোৱা নাছিল। আকৌ মোক পঢ়িব কলে। মই আৰ্য্যবিদ্যাপীঠ কলেজত ভৰ্ত্তি হ'লো, মোৰ লগৰীয়াৰ সংখ্যা দুগুণ হ'ল ; মোক সকলোৱে ভাল পাইছিল কিজানি, কিয়নো সকলোবোৰ লৰায়ে দেখোন মোৰ লগতহে ফুৰে। মইও গৌৰৱ অনুভৱ কৰি সিহঁতক চিনেমা দেখুৱাইছিলো, চাহ-মিঠাই খুৱাইছিলো। দ্বিতীয় বছৰত মোৰ পৰিবৰ্ত্তন হৈছিল। মোৰ লগৰীয়া বহুত আছিল, সিহঁতে মোক বহুতো নতুন নতুন কথা শিকাই-ছিল যিবোৰ তেতিয়া মই আগ্ৰহেৰে আশ্চৰ্য্যকীয় কথা বুলি গ্ৰহণ কৰিছিলো। বহুতো মানুহে আমাক বদমাচ বুলি আখ্যা দিছিল, কিন্তু সিহঁতৰ

অস্লাগতীয়াল কথাত আমাৰ কান দিবৰ সময় নাছিল। আমিয়েই সিহঁতক শাসন কৰিছিলো ওলোটাকৈ। গুৱাহাটীত থকা দ্বিতীয় বছৰটোত মই পোন প্ৰথমবাৰৰ বাবে মদ স্পৰ্শ কৰো মোৰ লগৰীয়া শৈলেনৰ অনুৰোধত। এতিয়া মই বটলে বটলে মদ হজম কৰিব পাৰো। দ্বিতীয় কামটো শিকায় মৃগেনে— জুৱা খেলা- য'ত বহুটো লাভ হয়। আৰু তৃতীয় কামটো শিকায়— থাওক নাম নকও, কামটো নিজেই বুজিব কি। এই তিনিটা প্ৰধান বস্তুৰ ওপৰত যত্ন লোৱাত মোৰ পৰীক্ষা দ্বিতীয় বাৰৰ বাবে বেয়া হ'ল। দেউতাৰ পৰা মই তেতিয়াও এটা কথা নুশিকিছিলো। আকৌ পঢ়িলো', ম'নে কলেজত ভৰ্ত্তি হলো তৃতীয় বাৰ। আকৌ লগৰীয়া বৃদ্ধি, আমাৰ চিৰ নতুন কামবোৰৰ পুনৰাবৃত্তি। এনে এটা কাম নাই যিটো কাম মই তেতিয়া কৰিব নোৱাৰো। হয়তো ল'ৰা আৰু বিশেষকৈ ছোৱালীয়ে মোৰ পৰা অপমান পাইছিল। সিহঁতে আমাক ভয় কৰিছিল। মই গৌৰৱ কৰিছিলো।

তাৰ পিছত কি হ'ল জানে? মোৰ জীৱনৰ এটা পাক ঘূৰিল। দেউতা আছিল অহংকাৰী আৰু হিংসুক স্বভাৱৰ মানুহ। দেউতাকৰ পৰা পাইছিল বহুতো সম্পত্তি। তাৰ বাবেই তেওঁ কোনো কষ্ট নকৰাকৈ সুখেৰে আৰু গৌৰৱেৰে দিন কটাইছিল। তাৰ পিছত তেওঁ ধান আৰু মৰাপাটৰ ব্যৱসায় আৰম্ভ কৰিলে। চৰা দামত দেউতাই ধানবোৰ বিক্ৰী কৰে। গাৱঁৰ মানুহক কোনো ৰকমেই তেওঁ সহায় নকৰিছিল। এদিন ৰাতি! আমাৰ মৰাপাটৰ গুদামত জুই লাগিল। সকলো গ'ল। দেউতাই গাৱঁৰ কিছুমান মানুহৰ ওপৰত মোকৰ্দ্দমা কৰিলে জুই লগোৱা বুলি। ইপিনে কোনোৱা চকু চৰোৱা মানুহে বোধহয় চৰকাৰক জনাইছিল, এদিনাখন আমাৰ ভড়ালৰ ধানবোৰো চৰকাৰে নায্য মূল্য দি লৈ গ'ল। দেউতা খঙত জ্বলি উঠিছিল। মেক মাতি পঠিয়াইছিল। মই গৈছিলো। দেউতাৰ সুপৰামৰ্শতে মই গাৱঁৰে দ্বিতীয় ক্ষমতা সম্পন্ন ব্যক্তি ভৱেন শইকীয়াক খুন কৰিছিলো। মোৰ দ্বিতীয় খুন আছিল সেইটো। তাৰ কোনো প্ৰমাণ মই ৰখা নাছিলো। ইপিনে আগৰ কেচটোত দেউতাৰ জমা টকা শেষ হ'ল গাৱঁৰ মানুহবোৰ আমাৰ বিপক্ষে। চাকৰ তিনিজনো গুছি গ'ল এদিন। আমাৰ খেতি বন্ধ হ'ল। দেউতাই বেংকৰ পৰা মাটি বন্ধক থৈ পোন্ধৰ হাজাৰ টকা ললে কেচ খেলিবৰ বাবে। কলিকতীয়া বাৰিষ্টাৰক নিতৌ দুশ টকাৰ বাবদ গুৱাহাটীলৈ আনি কেচ চলাইছিল। কিন্তু এদিনাখন কিবা এটা অসুখ হৈ দেউতা মৰি থাকিল। দেউতা মৰিল, মোৰ উপায় নোহোৱা হ'ল। পাঁচ হাজাৰ টকা ক্ষতিপূৰণ দি মই কেচটো উঠাই ললো। মোৰ হাতত জমা টকা আছিল আৰু দু'হাজাৰ। দেউতাৰ শ্ৰাদ্ধ আদিত এহাজাৰ খৰচ কৰিলো। বাকী টকাৰ কিছু জুৱাত গ'ল। তাৰ পিছত মই নতুন জীৱন আৰম্ভ কৰিম বুলি খেতিত নামিলো। গাভৰু ভনিজনী কাৰোবাৰ লগত পলাই গ'ল। মই বিচাৰিছিলো সেই বদমাচটোক, পালে এতিয়াও মই তাক খুন কৰিম। কিন্তু সিহঁত হালক বিচাৰি নেপালো। মোৰ যি স্বভাৱ ভাইজনৰো ঠিক সেয়ে। তথাপিও দুজনে খেতি কৰিবলৈ ধৰিলো। মাজতে মই বিয়াও কৰালো— বন্দনা নামৰ ধুনীয়া ছোৱালীজনীক। দুবছৰ ভালকৈ গ'ল। তাৰ পিছত আকৌ ধুমুহা। মই

এদিন বন্দনাক ঘৰৰ পৰা বাহিৰ কৰি দিলো তাইৰ বেয়া স্বভাৱৰ বাবে কিন্তু মই যে কিমান জনীক নষ্ট কৰিলো তাক অকণো ভাবি চোৱা নাছিলো। বন্দনাৰ সাধাৰণ দোষ আছিল, তাই অন্যৰ লগত প্ৰেম কৰিছিল— কিন্তু মোৰ স্ত্ৰী বন্দনা। এইটো মোৰ সহ্য হোৱা নাছিল বাবেই উলিয়াই দিছিলো। তাই মৰিল। আত্মহত্যা কৰি মৰিছে বন্দনাই। দুবছৰ হ'ল। মাৰ মৃত্যু তিনিবছৰ আগতে হৈছে। সংসাৰত আছিলো মই আৰু বসন্ত— মোৰ ভাই। আমাৰ বংশৰ গৌৰৱ ৰাখিবলৈ মই আৰু ভাইজন আছো মাত্ৰ। এদিন সিও গ'ল। টকা পাচশ চুৰ কৰি সি পলাই গ'ল— কোনো সন্ধান মই এতিয়াও পোৱা নাই, বসন্ত কলৈ গ'ল—;

আকৌ এটা জীৱনৰ পাক ঘূৰিল। বেংকৰ পৰা নোটিচ আহিল টকা দিয়াৰ। দেউতাৰ ঋণ পৰিশোধ কৰাৰ নোটিচ। পোন্ধৰ হাজাৰৰ নোটিচ। মই তাক ফালি পেলাইছিলো। কিয়নো মোৰ হাতত টকা নাছিল। দেউতাৰ সম্পত্তি বিক্ৰী কৰি দিলো কিছু অংশ। বেংকৰ ধাৰ মাৰিলো। মোৰ হাতত তেতিয়া বাকি থাকিল এহাজাৰ টকা। তাৰে মই ব্যৱসায়ী আৰম্ভ কৰিছিলো চোৰাং ব্যৱসায়ী। মদ, কানি আৰু যিমান বিলাক চোৰাং কাৰবাৰ আছে মই সকলো কৰিছিলো। মাজে সময়ে মই চহৰত যাওঁ। মোৰ কলেজীয়া বন্ধুবোৰৰ কিছুমানক লগ পাও:— কিন্তু সিহঁতে এতিয়া মোক চিনিকে নেপায়। আগতেই কৈছো—টকা হলেই বন্ধু, টকা গ'ল যেতিয়া বন্ধুও গ'ল। তাৰ পিচত মোৰ কি হ'ল জানে ? কাৰাবাস। দুবছৰ কাৰাবাসত আছিলো মই। চোৰাং ব্যৱসায়ীত ধৰা পৰিছিলো। মোৰ কলেজীয়া বন্ধু শৈলেন বৰুৱা, সি এতিয়া আৱকাৰি বিষয়া। কিন্তু কি জানে ? সেই শৈলেনেই মোক প্ৰথমে কলেজত মদ খুৱাইছিল— আৰু সিয়েই এতিয়া মোক মদৰ ব্যৱসায়ী কৰা বাবে গ্ৰেপ্তাৰ কৰিছিল। সি বোলে কৰ্ত্তব্যৰ খাতিৰতহে মোক গ্ৰেপ্তাৰ কৰিছিল। আৰু কি কৈছিল জানে — সি কৈছিল দত্ত, মোক ক্ষমা কৰিবি— চৰকাৰৰ আদেশত মই মোৰ কৰ্ত্তব্য কৰিছো। বাঃ বেচ কথা কৈছিল কিন্তু সি। মই আচৰিত হৈছিলো। কিয়নো কটন কলেজত মোৰ একমাত্ৰ বন্ধু আছিল সি, আৰু সি কৰ্ত্তব্যৰ খাতিৰত মোক গ্ৰেপ্তাৰ কৰিছিল আজি দুবছৰ আগতে মোৰ বিৰুদ্ধে ওকালতি কৰিছিল মানিক শৰ্ম্মাই আৰু সেই মানিক শৰ্ম্মাক মই এবাৰ কলেজত জীৱন বচাইছিলো, এজনী ছোৱালীক জোকোৱা বাবে।


মোৰ দুবছৰ কাৰাদণ্ড হৈ গ'ল। জেলত মই আকৌ লগ পাইছিলো মোৰ এজন বন্ধু—দীনেশক। সি জেইলাৰ বাবু। মোক চিনি নেপায় এতিয়া সি। কিন্তু কলেজীয়া জীৱনত সি আছিল মোৰ লগত পুৰা খেলোৱা লগৰীয়া—। দুবছৰ কাৰাবাসত থাকিলো, কিন্তু দীনেশৰ পৰা অকনো সহানুভূতি মই পোৱা নাছিলো—কিন্তু তাৰ বাবে মই কলেজত অধ্যাপকক অপমান কৰিছিলো। সি নকল কৰিছিল— ধৰা পৰিল, আৰু তাৰ বাবেই মই অধ্যাপক জনক অপমান কৰিছিলো। কাৰাবাসৰ বান্ধনি আছিল মোৰ স্কুলীয়া জীৱনত অকনো সহানুভূতি নোপোৱা দুখীয়া ভূপেন। মই তাক এদিন মাৰিছিলো। কিন্তু সি জেইলত মোক দেখি দুখ কৰিছিল, আমাৰ ঘৰৰ অৱস্থা শুনি চকুলো টুকিছিল— অথচ সি মোৰ শত্ৰুস্বৰূপ আছিল। পতি-

বৰ টকা নাই, সেয়ে সি জেইলৰ বান্ধনী হ'ল— মোৰ পঢ়িবৰ টকা আছিল— কিন্তু মই ? মই হলো এজন খুনী ?

চাৰিমাহ হ'ল জেইলৰ পৰা ওলোৱা। মোৰ মন বিদ্ৰোহী হৈ উঠিল। পুৰণি বন্ধুবোৰ যিবোৰে মোৰ পৰা টকা আৰু মৰম চেনেহ আদায় কৰি থৈছিল সিহঁতৰ ওপৰত মোৰ ঘৃণাভাৱ আহি পৰিল। জেইলৰ পৰা ওলোৱাৰ সাত দিনৰ দিনা মই আৰকাৰী বন্ধু শৈলেনৰ ওপৰত বন্ধুত্বৰ প্ৰতিকাৰ কৰিলো—। তাক পুলিচৰ পোচাকত থাকোতেই মই তাক আঘাত কৰিছিলো, তাৰ পিস্তল কাঢ়ি আনিছো— এয়া মোৰ জেপত। তাৰ চকু এটা অন্ধ হোৱা খবৰ নিশ্চয় বাতৰি কাকতত পঢ়িছে—। ময়েই তাৰ চকু অন্ধ কৰিছো— বন্ধুত্বৰ পুৰস্কাৰ ভালকৈয়ে দিছো, আপুনি হয়তো মোক ধৰাই দিব পাৰে, কিন্তু মই ভয় নকৰো। আৰু আছে শুনক— মানিকৰ ঘৰত মই জুই লগাই দিছো। জেইলাৰ বাবু দীনেশৰ বন্ধুত্বৰ পুৰস্কাৰ দুই এদিনতে দিম— এয়া পিস্তলৰ দ্বাৰাই। তাৰ পিচত দুমাহ মই পলাতক। ঘুৰি ফুৰিছো পুলিচৰ চকুত ধুলি দি। এতিয়া দাড়ি ৰাখিছো— আগতে নাছিল। এমাহ আগৰ কথা— মই তেতিয়া আন এখন টৌক্ৰত কাম কৰিছিলো। মানুহজন এই চহৰৰেই এজন ডাঙৰ পুৰুষ। কিন্তু তাতো শান্তি নাই। চোৰাং বস্তুৰ বেপাৰ কৰি মই ধৰা পৰিলো, কিন্তু সেই মানুহজনৰ ঘৰৰ পৰা মই সদায় ৰাতি ৰাতি চোৰাং বস্তু কঢ়িয়ালো। ক'তো তেওঁকটো কোনেও ধৰিব পৰা নাই। তেওঁৰ টেক্সিৰেই মই কতনা চৰকাৰী বিষয়ালৈ কতনা ছোৱালীৰ যোগান ধৰিলো। বহুত চিনাকি মুখৰ মানুহ পাইছিলো মই। সকলোবোৰটো বেচ ভদ্ৰ। কিন্তু এখন মুখা আছে— সিহঁতৰ মুখত। মোৰ লগৰীয়া এজন এতিয়া ডাঙৰ ইঞ্জিনিয়াৰ। এদিন মাজৰাতি সি মাৰোৱাৰী মহাজনৰ তালৈ গৈছিল। আহোঁতে হাতত এটা টকাৰ টোপোলা। পিচত জানিলো সেই মহাজনে এটা ডাঙৰ চৰকাৰী কাৰবাৰৰ ভাৰ পাইছে—। এয়াই সমাজ। আজিৰ সমাজ ! সকলোবোৰ ভাল মানুহ, শিক্ষিত ব্যক্তি, সমাজৰ বৰমুৰীয়া— কিন্তু সিহঁতৰ যে এখোখন মুখা আছে তাক কোনেও গুচায় নেচায় কিয় ? মই বদমাচ, কয়েদী। কিন্তু সিহঁতবোৰ জানো ভাল ? সেয়ে তাত চাকৰি বাদ দি গুচি আহিলো। আপোনাৰ ইয়াত চাকৰি মিলিল। কিন্তু আপুনি একা ? আপুনি নিজেই ভাল মানুহ বুলি ক'ব পাৰে নেকি ? আপুনি যি, ময়ো সেয়ে। আপুনি টকা থকা মানুহ, মোৰো এদিন টকা আছিল। মোৰ দেউতা যি আপুনিও সেয়ে। মই দেউতাৰ ল'ৰা হৈ যেনেকৈ বদমাচ হবলৈ বাধ্য হলো আপোনাৰ ল'ৰা ছোৱালীহালো সেয়ে. ঠিক মোৰ দৰে। আপোনাৰ খং উঠিছে— কিন্তু আপুনি জানেনে আপোনাৰ ছোৱালী কালি ক'লৈ গৈছিল ? আপোনাক কৈছিল বান্ধবীৰ ঘৰলৈ যোৱা বুলি— কিন্তু মইতো জানো ক'লৈ নিছিলো। আপোনাৰ ল'ৰা কলেজত পঢ়ে। ভাল কথা, কিন্তু এদিন দুপৰীয়া কলেজত যাবছোন। আপোনাৰ ল'ৰাক কলেজত নেপাব, জুৱাৰ আড্ডাতহে পাব, নিশা পাব মদ খোৱা অৱস্থাত কোনোবা গলীত বিচাৰিলে। সেয়ে মোৰ দুখ নাই। মই যি, মই যেনেকুৱা আপোনাৰ লৰাও তেনেকুৱা। আপোনাৰ লৰাৰো অৱস্থা মোৰ দৰে হব। আপোনাক ভাল বুলি

ভাবি আপোনাৰ গাড়িত চাকৰি ললো, কিন্তু আপুনিতো এজন মহা চয়তান। এই বুঢ়া বয়সতো আপুনি কু-অভ্যাসবোৰ এৰিব পৰা নাই। চোৰাং ব্যৱসায়ত আপুনি এজন সিদ্ধহস্ত। ম'হতকৈ শিং চৰা বুলি এতিয়াহে বুজিলো। মই যিমানে অ'গুৱাই আহিছো সিমানেই সমাজখনৰ মুখাবোৰ ভালকৈ ভালকৈ দেখিব ধৰিছো। আপোনালোকক থবলৈ শৈলেন হঁতৰ সাহস নাই। মন্ত্ৰীসভাও আপোনালোকৰ আগত ভোটা।

এয়া মোৰ কথা নহয়। আপুনিও ভাবি চাবচোন মোৰ কথা সঁচা নে মিচা। মই এই জীৱনত আজিলৈকে বহুত মানুহ দেখিব পাৰিছো— সিহঁতৰ ভিতৰখন দেখিব পাৰিছো। সেয়ে মই কবলৈ সাহস পাইছো। মোৰ দেউতাৰ পৰা শিক্ষা পাই মই যেনে হৈছো, আপোনাৰ লৰাও ঠিক তেনেকুৱা হৈছে আপোনাৰ পৰা শিক্ষা পাই। আপুনি ব্যৱসায়ী। চাউলত সিদিনা বন-গুটি আৰু শিল-গুটি মিহলি কৰিছে। সেইবোৰ খায় যে আমাৰ মানুহৰ শৰীৰ ধ্বংস হব তাকটো ভাবি চোৱা নাই। কিন্তু মই সমাজৰ চকুত হীন কিয়? সকলো মানুহেইতো মোৰ দৰেই। চাবলৈ গ'লে শতকৰা এজনো ভাল মানুহ নোলাব। আনকি শিক্ষানুষ্ঠানবোৰটো আজিকালি টকা খোৱাত লাগিছে তাৰ ৰৰমূৰীয়াবোৰে। কোনেও কাৰো পিনে নেচায়, সকলো নিজৰ কামত ব্যস্ত। সমাজৰ ধ্বংসমুখী অৱস্থাক ঘূৰাই অনা মানুহ আজিৰ সমাজত নাই। যি খন সমাজত আপোনাৰ দৰে ব্যৱসায়ী, মোৰ বন্ধু এম, এল, এ ললিতৰ দৰে দেশ নেতা (কিন্তু সি মোক চিনি নেপায়), মানিক আৰু দীনেশৰ দৰে চৰকাৰী কৰ্ম্মচাৰী আছে সেইখন সমাজত কেতিয়াও উন্নতি নহব। আপোনালোকক আঁতৰাই যদি কোনোবাই এইফেৰা মহৎ উপকাৰ কৰে তেন্তে উঠি অহা সমাজখন কিজানি ভাল হব। মই জানো আপুনি পুলিচত খবৰ দি মোক ধৰাই দিব কিন্তু মোৰ কোনো দুখ নাই। ইয়াত থকা যি, জেইলত কয়েদী হৈ থকাও একে। এয়া মোৰ জীৱন কাহিনী। দুকুৰি বছৰীয়া জীৱনৰ কাহিনী মোৰ গৌৰৱৰ কাহিনী, এই বহুৰঙী সমাজখনৰ ব্যক্তিবোৰক দেখা পোৱাৰ কাহিনী। কিন্তু মই জানো, কাইলৈ মই জেললৈ যাব লাগিব নহলে আপোনাৰ ব্যৱসা বন্ধ হব নহয়।



# মন ডায়েৰী

আবেলি মেটিনি শ' চাবলৈ গৈছিলো। ঘূৰি আহি হোষ্টেল সোমাওঁতে প্ৰায় ৮ মান বাজিল। অলপ পিচতেই ভাত হৈছিল ! ভাত খাই উঠোতে বৰ ভাগৰ লগা যেন লাগিল। চিনেমা চাই অহা বাবেই হয়তো মূৰটোও টিঙটিঙাই আছিল। সেয়ে অলপ বতাহ লৈ আৰাম কৰো বুলি হোষ্টেলৰ বিল্ডিংটোৰ ওপৰলৈ উঠি গলো। ভাবিছিলো এইমখাৰ গণ্ডগোলৰ পৰা আঁতৰি অলপ শান্তি পাম ; পিচে নাই।

'ওয়ান স্পেড্'।

'টু দাইচ্'।

পূৰ্ণ উদ্যমত ব্ৰীজৰ খেল চলি আছে। ইয়াত নহব। পুনৰ বিচনাই গতি হওঁক বুলি ঘূৰিলো।

ৰমেন, শৈল, বিকাশ আৰু দীপেন তাচত মগ্ন। এমূৰে মৃগেন আৰু অমৰে গামোচা পাৰি শুই আছে। কাষতে বাজি আছে অমৰৰ সৰু ট্ৰেন্‌জিষ্টাৰটো। মুখত জ্বলি থকা আধাপোৰা চিগাৰেট খিনি দীপেনক দি মইও মৃগেন হঁতৰ লগ ললো।

"কি চালি অ'"—চিগাৰেট হুপি হুপি মৃগেনে সুধিলে।

"জবাব"—লাহেকৈ কলো।

"লগত তেখেত আছিল নে ?"

মই নিৰৱে থাকিলো।

"কি ঐ ! মাতবোল নাই দেখোন। একেবাৰে মন মজি গল নেকি ?"

"ধ্যানত মগ্ন দেখন।" মোৰ নিৰৱতাৰ সুযোগ ললে দীপেনে।

"ধ্যানত মগ্ন ? কিন্তু কাৰ ? কথা, ৰচোৱাৰ সুবিধা পালে মৃগেনেও।

শ্ৰীসতীশ চন্দ্ৰ কলিতা
তৃতীয় বাৰ্ষিক, বিজ্ঞান

"কোন আৰু হব, কুন্তলা।"

দীপেনৰ কথাত মোৰ খং উঠিল।

"দীপেন, মনে মনে থাক। আজে বাজে বকি নাথাকিবি।"

'আৰে বাবা, আজে বাজে আৰু কি ! ঘৰলৈ যাবৰ হ'লতো, বাদ দে ইমান ভবা চিন্তা। ক'ৰ

কুন্তলা পাঠক ক'ত থাকে হিচাব নোহোৱা হব। এইবোৰ মায়াবিনীৰ পাল্লাত নপৰাই ভাল।"

'অৱশ্যে' মৃগেনে সমৰ্থন জনালে।

দীপেনৰ কথাত যি আক্ৰমণৰ মনোভাৱ তাক বস্তুত মোৰ দেখি নালাগে। কিন্তু বাধা দিবৰ উপায় নাই। কিবা কবলৈ গলে তৰ্কৰ সৃষ্টি। উপায়ন্তৰ হৈ পুনৰ মৌন ব্ৰত ললো। কাষত বাজি থকা ট্ৰেনজিষ্টৰটোত বিবিধ ভাৰতীৰ মনোমোহা গীত চলি আছে পূৰ্ণ গতিত। ভলিউম অকণমান বঢ়াই দি মইও মৃগেনৰ ওচৰতে টাৱেলৰ ওপৰত শুই পৰিলো।

অলপ অলপ বতাহ লাগি আছে। দূৰত কাৰোবাৰ ঘৰত উৎসৱ। ৰিণিকি ৰিণিকি বতাহৰ হালে জালে হিন্দী গীতৰ সুৰ। ৰাস্তাৰে দুই একোখন তীব্ৰ গতিত চলা মটৰ গাড়ীৰ হৰ্ হৰ্ শব্দ। মাজে মাজে দুই এটা ৰেলৰ দীঘলীয়া উকি।

"আৰে কথাটো কি জান! ৰাজধানীখন গুৱাহাটীলৈ আনিলে মন্ত্ৰী কেইটাৰ মহা মস্কিল নহব জানো। ইমান গৰম গুৱাহাটী। তাতে একেবাৰে সাধাৰণ সাধাৰণ মানুহবোৰো ইয়াতেই আছে।"

"এঃ তোৰ ৰাজনৈতিক লেক্চাৰবোৰ থ। ৰাজধানীৰ চিন্তা তোৰ মোৰ নহয়। গৰমত মন্ত্ৰীবোৰ যেনেকৈ থাকে থাকক। তোৰ ৰুমৰ ফেনখনৰ চুইচ্‌টো ঠিক কৰি লগে। নহলে গৰমত মৰিবি।"

হৰিহৰ আৰু পুলিনৰ আলোচনা শুনি আটাইবোৰে গিৰ্জনি মাৰি উঠিল। মই ভাবিলো ইহঁত দুটা লগ লাগিছে যেতিয়া কথাৰ আৰু শেষ নাই। ইহঁতৰ আলোচনাত ৰাজনীতি, সমাজ নীতিকে ধৰি ক্লাচৰ ছোৱালী আৰু কেণ্টিনৰ বাকী মাৰা পৰ্য্যন্ত একো বাদ নপৰে। মই লাহেকৈ উঠি আহিলো।

"গলিয়েই নেকি চন্দন"— দীপেনে শোৱাৰ পৰা মুৰ দাঙি ক'লে।

"অ'— যাওঁ। মনটো ভাল লগা নাই।"

"এৰা! এই বিৰহ বেদনাত মন আৰু কি ভালে থাকিব।" লেনিয়াই সি কলে। হাঁহিৰ মৃদু গুঞ্জন উঠিল। শুনা নুশুনা ভাওঁ জুৰি মই ৰুমলৈ গুচি আহিলোঁ।

আঠুৰাখন তৰি লৈ বিচনাত প'ৰিলো। বেড্ চুইচ্‌টো অফ্ কৰি দিলো। ৰুমমেট ডুক্কন গুচি গৈছে কেতিয়াবাই। অকলশৰে থকা ৰুমটো নিশাৰ ক'লা এন্ধাৰে আবৰি ধৰিছে। বেৰত ঘড়ীটো টিক্ টিকাই ফুৰিছে।

মোৰ টোপনি নাহিল। মনটো বেদনাৰে ভৰি উঠিছে। এই বেদনা কুন্তলাক এৰি যোৱাৰ বেদনা নহয়। এইয়া এটি মনৰ মৃত্যুৰ বেদনা— মোৰ মনৰ।

কুন্তলা নামটো মনত পৰাত হাঁহি উঠিল মোৰ! এই নামটোত বহুতো ৰোমাঞ্চ আছে; আছে কিছুমান সাঁথৰ। কিন্তু সেইবোৰ মোৰ মনত কিছুমান শূন্যৰ সমষ্টি।

কুন্তলা আমাৰ কলেজৰে প্ৰথম বাৰ্ষিক বিজ্ঞানৰ ছাত্ৰী; দেখাত কিমান ধুনীয়া সেই বিষয়ে কোনো দিনে মই মুৰ ঘমোৱা নাই। হাইস্কুলৰ ফাইনেল পৰীক্ষাৰ আগে আগে প্ৰায় চাৰিমাহ মই টিউশ্যন লৈছিলো। তেনেকৈয়ে মোৰ লগত চিনাকি। এতিয়াও মাজে সময়ে সিহঁতৰ ঘৰলৈ যাওঁ। বাটে পথে দেখা পালে মাতে। নিতান্ত গতানুগতিক। কুন্তলাৰ প্ৰতি মোৰ কোনো দুৰ্বলতা নাই।

মোৰ প্ৰতিও হয়তো তাইৰ কোনো আকৰ্ষণ নাই। মাথোন মই কুন্তলাৰ ওচৰ চাপিছিলো মোৰ দেউতাই পঠ'ব নোৱাৰা মোৰ আৱশ্যকীয় টকাখিনি পূৰাবলৈ। আমাৰ সম্পৰ্কও ঠিক যিখিনিত থকা উচিত তাতেই সীমাবদ্ধ আছিল। ইয়াৰ মাজত কোনোধৰণৰ প্ৰেমৰ গোন্ধ মই লোৱা নাছিলো বা লবলৈ সাহস হোৱা নাছিল।

আমাৰ এই সামান্য মিলা-প্ৰীতিকেই বহুতে সহজ ভাবে লব পৰা নাছিল আৰু মোৰ অন্তৰঙ্গ (?) দুই এজন বন্ধুৱে ইয়াকে লৈ দুই এটা অশ্লীল মন্তব্য দিবলৈও কুণ্ঠাবোধ নকৰিছিল। মই অৱশ্যে এই বিষয়ে কোনো দিন বাধা দিয়া নাই বা ভাবি ভাবি মূৰ ঘমোৱা নাই।

কাৰণ ?

কাৰণ মই জানো মোৰ জন্ম হৈছে এই পৃথিবীত জীয়াই থকাৰ সংগ্ৰাম কৰিবলৈ। কোনো কুন্তলাৰ হিয়াত প্ৰেমৰ আবেগ সানিবলৈ নহয়: নহয় বিলাসিতাৰ উটি বুৰি যৌবনৰ জয় গান গাবলৈ।

মূৰটোৰ কামোৰণি অলপ বেচি হোৱা যেন লাগিল। আন্ধাৰতে খেপিয়াই টেবুলৰ ওপৰত থকা গিলাচটো আনি পানীখিনি খাই পেলালো। ফেনখন তেতিয়াও চলি আছিল তীব্ৰ গতিত। তথাপিতো গৰম গৰম লাগিল। সিটো কোঠাত ওপনহঁতে গান গাই আছে। কোনোবাই টেবুলত, কোনোবাই হোষ্টেলৰ কাঁহৰ বাতিত তবলাৰ সুৰ তুলিছে। আটাইৰে স্ফূৰ্ত্তি। আজি সকলোৰে পৰীক্ষা শেষ। কাইলৈ হয়তো এজনো ইয়াত নাথাকিব। হোষ্টেলৰ শেষ ৰাতি। বন্ধুৰ পৰা বিদায় লোৱাৰ শেষ মুহূৰ্ত্ত। সেয়ে হয়তো আজি ৰাতিটো সিহঁত মুখৰই। পৰীক্ষা শেষ কৰি ঘৰলৈ যোৱাৰ সময়ত মনৰ অৱস্থা কেনে হয়! এফালে বন্ধুৰ পৰা বিদায় আনফালে ঘৰলৈ যোৱাৰ প্ৰবল হেঁপাহ। মনবোৰ আটাইৰে উৰুঙা উৰুঙা। তথাপিতো ঘৰলৈ যোৱাৰ আনন্দই আটাইকে আনন্দত বুৰাই ৰাখিছে। সকলোৱে ভাইটি-ভনীটিহঁতৰ বাবে সৰুসুৰা দুই এপদ আজিয়েই কিনি লৈছে। মাক-দেউতাক, ভাইটি ভনীটিহঁতৰ কল্পনাত সকলো উৎফুল্ল।

কিন্তু মই ? মইওতো কাইলৈ যাম ঘৰলৈ। মোৰো ভাইটি ভনী থকা এখন ঘৰ আছে। মই পৰীক্ষা শেষ কৰি বহুদিনৰ মূৰত ঘৰলৈ যাম। তেন্তে মই কিয় সিহঁতৰ দৰে আনন্দত মতলীয়া হোৱা নাই ? কিয় মোৰ এনে লাগিছে যেন মই সেইখন ঘৰলৈ নাযাম। মই যেন পলাই যাম ক'ৰবালৈ— বহু দূৰলৈ।

চাৰিবছৰৰ শিক্ষা শেষ কৰি মই কাইলৈ ঘৰলৈ যাম। আজি ইমান বছৰৰ শেষত ঘৰলৈ যোৱাৰ আগমুহূৰ্ত্তত হিচাব কৰি দেখিছো মোৰ একো নহ'ল। সকলো কল্পনা, সকলো আশা আকাংক্ষা চকুলোৰে মচি মচি মই আকৌ আগৰ ৰূপটোকেই পালো।

গাওঁৰ এটা সামান্য মধ্যবিত্ত পৰিয়ালৰ ল'ৰা মই। কলেজৰ উচ্চশিক্ষালৈ ডাঙৰ মানুহ (?) হোৱাৰ সপোন দেখিছিলো। ভাবিছিলো মনৰ হেঁপাহ পলুৱাই পঢ়িম। এসময়ত ডাঙৰ চাকৰি কৰিম। এখন ঘৰৰ দায়িত্বলৈ এটা সুন্দৰ সুখী পৰিয়ালৰ নেতৃত্ব কৰিম!

কিন্তু সেয়া মোৰ কেৱল কল্পনা। কলেজৰ শিক্ষা লোৱা হয়তো শেষ হ'ল। কিন্তু মই কি পালো। যি আশা আৰু কল্পনালৈ কলেজীয়া জীৱন আৰম্ভ কৰিছিলো তাবে এটাও পূৰ্ণ নহ'ল। বৰং মিছা মৰীচিকা খেদি খেদি ক্লান্ত হ'লো অথচ

কোনো দিনেই হয়তো মৰুদ্যানৰ সন্ধান নেপাম।

প্ৰথম বছৰত যেতিয়া গাওঁ এৰি চহৰলৈ আহি-ছিলো, ঘৰৰ আটাইবোৰৰ মুখতে এটা উৎসাহ আৰু উদ্দীপনাৰ ভাব দেখিছিলো। ঘৰখনত উপাৰ্জ্জনক্ষম। দেউতা স্কুল মাষ্টৰ। খেতি-বাতিও লগাৰ ভোখাৰে হয়। গতিকে মই একো ভবা নাছিলো বা ভবাৰ আৱশ্যক নাছিল। দ্বিতীয় বছৰত প্ৰথম বছৰৰ আশানুৰূপ সাফল্যই উৎসাহিত কৰিছিল।

কিন্তু সেই বছৰতেই হোৱা প্ৰলয়ঙ্কৰী বানত গাওঁ ভুঁই উটি গল। আমাৰ গাওঁত কোনোৱেই প্ৰকৃতিৰ এই অত্যাচাৰত ৰক্ষা নপৰিল। কাৰোবাৰ ঘৰ দুৱাৰ গ'ল, কাৰোবাৰ খেতি পথাৰ পানীত বুৰ গ'ল। আমাৰ ঘৰখনেও ৰক্ষা নেপালে। পথাৰৰ ধান নৈৰ বালিত লীন গ'ল। ঘৰকেইটা যেনিবা বাচি থাকিল।

এই দুৰ্য্যোগত মই দেউতাক পঢ়া এৰি ঘৰৰ কামত লাগিম বুলি কলো। দেউতাই বাধা দিলে। মই পঢ়াৰ বাহিৰে কোনো কথাই যেন চিন্তা নকৰো তাৰ বাবেই দেউতাই সতৰ্ক কৰি দিলে। মই বুজিছিলো ভনী দুজনী সৰু ভাইটিটো আৰু মাক লৈ ছজনীয়া পৰিয়াল এটাক পোহপাল দি এটা সৰু অঙ্কৰ দৰ্ম্মহাৰে দেউতাই মোক পঢ়াব নোৱাৰে— কিন্তু মই হতাশ হোৱা নাছিলো। মই ভাবিছিলো কোনো ৰকম কৰি, এছ. ছি টো পাচ কৰিব পাৰিলেই মই দেউতাক সহায় কৰিব পাৰিম।

দেউতাৰ কথা মানি মই পঢ়াত লাগিলো। ২য় বাৰ্ষিকৰ ফাইনেল পৰীক্ষা দি ঘৰলৈ গ'লো। ঘৰৰ অৱস্থা দেখি মই হতবাক হৈ গলো। থকা ঘৰটোৰ বাহিৰে বাকী কেইটাৰ অৱস্থা নাই। একেটা ঘৰকে এমূৰে খোৱা ঘৰ আগৰ মই থকা ৰুমটো হৈছে থকা ঘৰ। মই ঘৰ পাওঁতে দেউতা বাৰান্দাতে বহি আছিল, মোক দেখি এটা ক্ষীণ হাঁহি মাৰি কলে— "তই আহিলি অপু।"

মই একেথৰে দেউতাৰ মুখলৈ কিছুসময় চাই থাকিলো। মোৰ চকুৰ চাৱনি হয়তো দেউতাৰ সহ্য হোৱা নাছিল। "তই কাপোৰ কানিবোৰ সলা" বুলি তেওঁ ওলাই গ'ল।

মা আৰু বীণা ওলাই আহিল। কিছুসময় নিৰৱতাৰ পিচত মই ভৰি-হাত ধুই ললো।

"তোৰ কিবা অসুখ হৈছিল নেকি অপু?

"নাই 'মা'— পৰীক্ষা দি আহিছো নহয়, অলপ ক্ষীণাইছো আৰু। ভন্টি আৰু তুতুল ক'ত মা?"

"সিহঁতক মোমায়েৰাই লৈ গ'লহি কালি'।

মোৰ বুজিবৰ বাকী নাথাকিল। মোক নরনোৱাকৈ থাকি ঘৰৰ আটাইয়ে ভোগাই ভুগিছে। মই জানো দেউতাই মোৰ পঢ়াত ব্যাঘাত হব বুলিয়েই কোনো কথা মোক নকনায়। অথচ পূজাৰ বন্ধত আহোতে কোনোৰকম কৰি লোৱা পাকঘৰটোৰ বিষয়ে দেউতাই কৈছিলে— "টিন আনিব যাম, এইবাৰ সেইটোকে ভাল কৰি লওঁ" মই বুজি পালো টিন লগাব খোজা ঘৰটো মাত্ৰ পাচ মাহৰ পিচতে কউলি কিয় পৰি থাকে। কিয় থকা ঘৰটোৰ কোঠাও পাকঘৰ কৰিব লগা হ'ল।

গধূলি ভাত খাই থাকোতে মাই ক'লে— "তই হয়তো আচৰিত হৈছ অপু ঘৰৰ অৱস্থা দেখি। দেউতাৰ ভাগৰি পৰিছে। ঘৰৰ ফালেই মন দিবনে খোৱা লোৱাতে মন দিব। দেউতাৰৰ দৰ্মহা খিনি তোলৈ পঠায়। ইয়াতে দুটা টিউশ্যন কৰি ৬০ টকা পায়। তাৰে চাউল দাইল কিনোতে

শেষ হয়। ইমান ডাঙৰ ঘৰ এটা এনেয়ে পৰি থকাতকৈ মযে কলো ইয়াৰে এটা ৰুম দেখোন পাকঘৰ কৰিব পাৰো।"

"কিন্তু মা"— মই বাধা দি কলো— "তইঁতে কেৱল মোৰ বাবেই কিয় ইমান কষ্ট কৰিব লাগে। মোলৈ পঠোৱা টকা থিনিৰেতো ঘৰখন ভালদৰেই চলে।"

'দেউতা কলৈ গল?'

"টিউশ্যনলৈ" ৰিণাই কলে।

মই কোনোমতে ভাত খাই উঠি আহিলো। প্ৰায় ৯-৩০ মানত দেউতা আহিল। ভাত-পানী খাই মোৰ লগত কোনো কথা বতৰা নপতাকৈয়ে তেওঁ শুবলৈ গ'ল! মই তেওঁৰ ওচৰলৈ গৈ দেখো শুদা গাৰে বুকুৰ কামিহাড়বোৰ উলিয়াই থকা এটা মানৱ দেহা বিচনাত পৰি আছে। সেইজন মোৰ দেউতা বুলি ভাবিবৰ মন নগ'ল। সংসাৰৰ কুৰুক্ষেত্ৰত যুজি যুজি অৱশ হোৱা এটা মানৱ দেহা। মোক দেখি দেউতাই কলে—

"তোৰ পৰীক্ষা কেনে হ'ল।

"বৰ বেয়া হোৱা নাই দেউতা।"

"দেউতা।"

"ও"

"এটা কথা সোধো।"

"এতিয়া শুই থাক গৈ যা। ভাগৰে জুগৰে আহিছ।"

দেউতাই জানিছিল মই কি সুধিম।

কোনো কথা সোধা নহ'ল। দেউতাক কিবা এটা কৈ বেজাৰ দিবৰ আৰু মন নগ'ল।

বন্ধৰ ভিতৰত ঘৰখনৰ অলপ কাম কৰিলো। খেতি পথাৰ বুলিবলৈ একো নাই। বানপানীৰ পলসে কৰা বালি চাপৰিত একো খেতি হোৱাৰ সময় সেইয়া নহয়। তথাপি যি অলপ পাৰি কৰিলো।

পৰীক্ষাৰ খবৰ ওলাল। পাছ কৰিছো। আটাইৰে স্ফূৰ্ত্তি। মই দেউতাক কলো—।

"মই আৰু নপঢ়ো।"

কি? সন্মুখত বাঘ ওলালে যি অৱস্থা হয়, দেউতাৰ হুঙ্কাৰত মোৰো সেয়ে হ'ল। তথাপি বুকুত সাহস গোটাই কলো—

"মই পঢ়িলে ঘৰখনৰ অৱস্থা কি হব দেউতা?"

"ঘৰৰ অৱস্থাৰ কথা মই চিন্তা কৰিম। তোৰ কৰ্ত্তব্য তই কৰি থাক।"

মাক কলো। মায়ে চকুলোৰে হাঁহি হাঁহি বাধা দিলে।

পুনৰ নাম লগালো। ঘৰখনৰ কথা চিন্তা কৰি মোৰ কান্দি দিবৰ মন যায়। মোৰ প্ৰতি ঘৰখনৰ ত্যাগ দেখি মই অভিশপ্ত হওঁ। এই ত্যাগ মই কেনেকৈ শুজিম ভাবি ভাবি পাগল হওঁ।

তথাপি আহিলো। তিনিমাহৰ পিচত পূজাৰ বন্ধ আহিল। বন্ধত ঘৰলৈ গ'লো।

ঘৰলৈ গৈ দেখিলো দেউতা শয্যাশায়ী। চকুলো টুকি টুকি দেউতাই কলে— "অপূ তোক মানুহ কৰাৰ দায়িত্ব আছিল। পিচে নহ'ল। তই তোৰ কৰ্ত্তব্য কৰি যা। মোৰ এই অৱস্থাত তোক উপদেশ দিয়াৰ বাহিৰে আৰু উপায় নাই।"

উপায় মোৰো নাছিল। তথাপি ডাক্তৰৰ ওচৰ চাপিলো। যেনেতেনে দেউতা ভাল হৈ উঠিলে কিবা হব। ডাক্তৰ আহিল। চিকিৎসা কৰিলে। পূজা বন্ধটো দেউতাৰ শুশ্ৰূষত কটাই দিলো। কিন্তু শুশ্ৰূষাতো ভাল হোৱা ৰোগী দেউতা নাছিল। ওৰে

জীৱন জীয়াই থকাৰ সংগ্ৰাম কৰি ভাগৰি পৰা দেউতাই চকু মুদিলে।

মাই হিয়া ধুনি কান্দিলে। ভাইটি ভণ্টিহঁতে কান্দিলে চিঞৰি চিঞৰি। মই নিৰবে থাকিলো। মোৰ চকুলো নোলাল। মোৰ এনে লাগিল যেন মই ডিঙি চেপিহে দেউতাক হত্যা কৰিছো। মাৰ মূৰ্ত্তি দেখি মোৰ বুকু কঁপি উঠিল। মাই যেন কালমূৰ্ত্তি ধৰি মোক খাই পেলাবলৈ জিভা উলিয়াই খেদি আহিছে।

মোৰ মগজুৰ গণ্ডগোল হব বুলি ভাবিছিলো, কিন্তু নহল। মামাই আহি বুজালে। সকলো দায়িত্ব লৈ মোক পুনৰ পৰীক্ষাটো দি আহিবলৈ কলে। মই দুৰ্ব্বোৰ আপত্তি কৰিছিলো। মাই বুজালে "তোৰ কপালৰ দোষ তই খেদাব নোৱাৰ অপু। আমি চলিম যেনেতেনে। তই পৰীক্ষাটো দি আহ।"

মই আহিলো। মানে পলালো। মই যেন এইটো সুযোগলৈহে বাট চাই আছিলো। এটি নপুংসকৰ দৰে মই মাৰ দৃষ্টিৰ পৰা আঁতৰি আহিলো; আঁতৰি আহিলো মোৰ মুখৰ পিনে শুকান দৃষ্টিৰে চাই থকা গাভৰু ভনী বীণাৰ অসহনীয় করুণতাৰে ভৰা মুখখন পাহৰিবলৈ।

সেই অহাৰ পিছত আৰু ঘৰলৈ যোৱা নাই। যাবৰ ইচ্ছা নাছিল এনে নহয়। যাবলৈ সাহস হোৱা নাই। ভণ্টিয়ে লিখিছে মই গৈ পালেই ভাই স্কুললৈ যোৱা আৰম্ভ কৰিব। ভাইটিয়ে মাক হেনো কৈ থাকে মই গৈয়েই নিশ্চয় চাকৰি পামেই। তাৰ নতুন কাপোৰ কি দি মোৰ দৰ্ম্মগাৰে। বীণাই হয়তো ভাবি আছে দাদা আহিয়েই উৱলি যোৱা চাল কেইখন চোৱাই ঘৰটো ভাল কৰিব। মোক এখন ভাল চাদৰ, এটা তেলৰ বটল আনি দিব। মাই হয়তো ভাবিছে অপু আহিলে বীণাৰ বাবে ল'ৰা এটা চাব লাগিব।

মই গৈ ইমানবোৰ সমস্যাৰ সন্মুখীন হব পাৰিম জানো। মাইতো নাজানে বি, এছ, ছি কিয়, এম, এছ, ছি পাছ কৰিলেও আজিৰ যুগত এটা চাকৰিৰ কাৰণে কিমান হাহাকাৰ কৰিব লাগে। সেয়ে— মোৰ সাহস হোৱা নাই সেইখন ঘৰৰ সন্মুখত দেখা দিবলৈ। ভাইটি ভণ্টিহঁতে নাজানে মই সিহঁতৰ এটা সপোনো পূৰাবলৈ সক্ষম নহঁও।

মই কাইলৈ যাম। সেইখন ঘৰলৈ। মই লৈ যাব লাগিব এটা অৰ্দ্ধমৃত পৰিয়ালক দুখৰ পৰা মুক্ত কৰি এখন সুখৰ সংসাৰলৈ।

গাৰুটো ঠাণ্ডা ঠাণ্ডা লাগিছে দেখোন। গালেৰে গৰম গৰম কিবা এটা বৈ অহা গম পালো। খপ্‌জপ্‌কৈ খেপিয়াই চালো— চকুপানী।

খুব গৰম লাগিছে। ফেনখন চলি থকা সত্বেও। তলত কোনোবাই এতিয়াও গান গাইয়ে আছে—

"শম্পা থাকিলে জৰুৰ্ জৰুৰ্ পৰোৱানা যে আহিবই"


মই শোৱাৰ পৰা উঠি আহিলোঁ। বাহিৰখন শান্ত, এজাক গভীৰ আন্ধাৰে আবৰি ৰাখিছে। মই উঠি গ'লো পুনৰ ওপৰলৈ। তেতিয়াও তাত কোনো নাই। দূৰ দিগন্তলৈ চাই দেখিলো— এটা বহল, সীমাহীন সাগৰৰ তীৰত মই যেন বহি আছো সুদূৰলৈ চাই। কিবা এটিৰ সন্ধানত বেদনাৰে ভাৰাক্ৰান্ত এটি মন। এই বেদনা কুন্তলাৰ বিৰহ বেদনা নহয়। দীপেন, মৃগেনহঁতে নাজানে— এই বেদনা মোৰ মনৰ, এটি কোমল ফুল অকালতে মৰহি যোৱাৰ বেদনা। সিহঁতক চিঞৰি চিঞৰি কবৰ মন গৈছে—

"তহঁতে মুৰুজ দীপেন, কুন্তলাৰ লগত, নহয় কুন্তলাৰ নিচিনা বহুতৰে লগত, বিৰহ বেদনাৰ

অভিমান কৰিবৰ মন মোৰো আছিল , তহঁতৰ দৰে হাঁহি হাঁহি জীৱনৰ মাধুৰ্য্য উপভোগ কৰিবৰ হেঁপাহ মোৰো আছিল। কিন্তু— এই উপভোগ যে মাৰ চুচকুৰ লোতকে উটুৱাই লৈ গ'ল। পিতৃ-হাৰা দুটি শিশু— যৌৱন অথলে যোৱা এজনী ভনী মোৰ পিচত বহি আছে অসহায় হৈ। মই সিহঁতক উদ্ধাৰ কৰিব লাগিব। তহঁতৰ এই হাঁহি ভৰা জীৱন মই সিহঁতৰ যোগেদিহে পাব লাগিব।"

সিহঁতক আৰু কবৰ মন গৈছে— "মোৰ এই জীৱন জীয়াই থকাৰ সংগ্ৰামৰ বাবে। কোনো কুন্তলাৰ হিয়াত প্ৰেমৰ আবেগ সানিবলৈ নহয়, নহয় কোনো ধৰণৰ বিলাসিতাত উটি বুৰি যৌৱনৰ জয়গান গাবলৈ।"

❀




শ্ৰীৰাজধৰ ডেকা
দ্বিতীয় বাৰ্ষিক, কলা।

অৱশেষত মাধৱীৰ বিয়াখন পাৰ হৈ গ'ল। দহবজাত গিৰিয়েকক বিদায় দি মাধৱীয়ে ড্ৰেচিং টেবুলৰ লাইফ্ চাইজ গ্লাচখনৰ সন্মুখত থিয় হ'ল। আজি তাইৰ বিয়াখন পাৰ হৈ যাবৰ মাত্ৰ দহটা দিন হ'ল। কিন্তু, এই কেইটা দিনৰ ভিতৰতে যেন তাইৰ স্বাস্থ্যৰ কিছু অৱনতি ঘটিছে। কিন্তু কিয়? কাৰ চিন্তাত? বিনোদ দাসৰ চিন্তাত নেকি? নহয়, এইটো কেতিয়াও হব নোৱাৰে। তাইৰ ধাৰণা ভুল হৈছে। বিনোদ দাসেতো তাইক এই বিষয়ে কেতিয়াও কোৱা নাছিল। তেন্তে—?? যাঃওঁক, এইবোৰ অৰ্থহীন চিন্তা বাদ দি তাই বাহিৰলৈ ওলাই আহিল। প্ৰখৰ ৰ'দ। যেন পৃথিবীখন পুৰি ছাই হৈ যাবৰ উপক্ৰম হৈছে। কি কৰিব একো ভাবি পোৱা নাই। এনেয়ে অলস ভাবে বহি থকাতকৈ এখন উপন্যাসকে পঢ়া ভাল বুলি ভাবি আলমাৰীটোৰ ওচৰলৈ গ'ল। তাই বহুত কিতাপ উপহাৰ পাইছে। তাইৰ মনত আছে, বিনোদেও এখন কিতাপ উপহাৰ দিছে। কিন্তু কি কিতাপ দিছে তাই নাজানে। বিচাৰি বিচাৰি তাই হাবাথুৰি খালে। অৱশেষত পালে। এজনী ধুনীয়া ছোৱালীৰ হৈতে ৰঙীন বেটুপাতখনিৰ 'নীৰৱ বেদনা' উপন্যাসখন। তাইৰ মনতে ভাৱ হ'ল কোনোবা প্ৰেমিক নাইবা প্ৰেমিকাই চাগে' অন্তৰৰ বেদনাবোৰ প্ৰকাশ কৰিবলৈ বিচাৰিছে। কিতাপখনৰ তলৰ পিনে চাই দেখে 'বিনোদ দাস।' তাইৰ অন্তৰখন চিৰিং কৰি গ'ল। কোন বাৰু এইজন নতুন লিখক— বিনোদ দাস? মোৰ সেয়া বিনোদ দা নহয়তো? অলপ পিছতে কিতাপখনৰ প্ৰথম পাতটো লুটিয়াই দেখে ছপা আখৰেৰে লিখা আছে— "মোৰ অন্তৰঙ্গ ভনী 'মাধৱী'ৰ নামত উছৰ্গা কৰা হ'ল।" মাধৱীৰ মনতো ক্ৰমে সন্দেহ হবলৈ ধৰিলে। দ্বিতীয় পাতটো ওলোটাই চাই দেখে হাতে লিখা অৱস্থাতে— "বহুত মৰম আৰু শুভেচ্ছাৰে— মিলন নিশাত— প্ৰীতি-উপহাৰ-- ইতি-- লিখক বিনোদ দাস।" মাধৱীৰ সন্দেহ আঁতৰিল। তাইৰ মনত নানান ভাবৰ ঢৌ উঠিল।

বিনোদে তাৰ প্ৰথম আখৰটো 'বি' ৰাখি বিশ্বদেৱ নামেৰে নায়কৰ ৰূপত ৰূপান্তৰিত হৈছে আৰু মাধৱীৰো প্ৰথম আখৰ 'মা' ৰাখি 'মালতী' নামেৰে নায়িকাৰ ৰূপত দেখুৱাইছে। তাৰ আৰু মাধৱীৰ জীৱনত ঘটা কথাবোৰেই তাত ধুনীয়াকৈ সজাই পৰাই 'নীৰৱ-বেদনা' উপন্যাস খনি ৰচনা কৰিছে।

ইতিমধ্যে মাধৱীয়ে পাতনিখন পঢ়িবলৈ আৰম্ভ কৰিলে। কোনোবা এজন ডাঙৰ সাহিত্যিকে পাতনিত এইদৰে লিখিছে— "..... .... .... .... 'নীৰৱ-বেদনা' উপন্যাসখনি পঢ়ি বৰ আনন্দ পালো। ডেকা লিখক বিনোদ দাসৰ শ্ৰম সফল হৈছে। তেখেত নতুন লিখক হিচাবে নিজৰ প্ৰতিভাৰ পৰিচয় দিছে। আৰু ভৱিষ্যতে এজন ভাল লিখক হোৱাৰ ইঙ্গিত দিব পাৰিছে। বিশ্বদেৱ আৰু মালতীৰ প্ৰেমে বাস্তৱত কোনো পৰিণতি লাভ কৰিবলৈ সমৰ্থ নহ'ল। দৰাচলতে তেওঁলোকৰ প্ৰেমৰ প্ৰকাশেই নহ'ল। ইজনে সিজনক অন্তৰেৰে ভাল পাইছিল যদিও কোনোৱে তাক প্ৰকাশ নকৰিলে। অৱশেষত মালতীৰ বিয়া মাক-দেউতাকে আইন এজন ল'ৰাৰ লগত ঠিক কৰিলে। এইখিনিতে উপন্যাস খনিৰ যৱনিকা পৰিছে।"

মাধৱীয়ে কিতাপখন পঢ়িব নোৱাৰিলে। পাতনিখনি প'ঢ়িয়েই জপাই থৈ গাৰুটোত মুখ খন গুজি দি চকুপানীৰে তিয়াই পেলালে— উঃ বিনোদদা তুমি মাত্ৰ এটা কথা নোকোৱাৰ কাৰণে আজি মোৰ এই সৰ্ব্বনাশ। ইমান দিনে তোমাৰ প্ৰতিচ্ছবি বুকুত বান্ধি ৰাখিলো। কিন্তু ময়ো তোমাক কবলৈ সাহস নকৰিলো। মোৰ অন্তৰে বিচাৰিছিল সদায় তোমাক আৰু তোমাৰ অন্তৰেও বিচাৰিছিল মোক। কিন্তু তুমি মোক কথাটো কোৱা নাছিলা কিয়? মাত্ৰ এবাৰ প্ৰকাশ নকৰিলা কিয়?? মনৰ কথা যে মনতে মাৰ গ'ল। উঃ ভগৱান! আমাৰ অন্তৰ দুখন এনেকৈ কিয় আঁতৰাই দিলা? অজানিতে মাধৱীৰ মুখেদি সৰ সৰ কৈ কথাবোৰ ওলাই শূন্যতে বিলীন হৈ গ'ল।

মাধৱীৰ ভালকৈ মনত আছে সেই দিনটোলৈ। তাই তেতিয়া চৈধ্য-পোন্ধৰ বছৰীয়া ছোৱালী। তাইৰ ভালকৈ মনত আছে ককায়েকৰ লগত এদিন কলেজৰ 'সঙ্গীত সন্ধিয়া' চাবলৈ যোৱাৰ কথা। এটি ধুনীয়া দামী 'ফ্ৰক' পিন্ধি তাই গৈছিল। অৱশ্যে তাই তেতিয়াও জগত খনৰ জটিল কথাবোৰ অলপ অলপ বুজি পাইছিল। 'সঙ্গীত সন্ধিয়া' আৰম্ভ হ'ল। বিনোদে এবাৰ নিজে হাৰমনিয়ম্ ধৰি এটি গান গালে। এবাৰ দুবাৰকৈ তিনিবাৰ গান গালে। তেতিয়া মাধৱীৰ ককায়েক অপূৰ্ব্বই কলে—।

বুজিছা মাধৱী, সেই যে গান গাবলৈ ধৰিছে ল'ৰাজন, আমাৰ ক্লাচত পঢ়ে। মোৰ অতি অন্তৰঙ্গ বন্ধু; নাম তাৰ বিনোদ দাস। গান গোৱাত সি এক্সপাৰ্ট।

: গানকেইটা বৰ ধুনীয়া হৈছে, নহয়নে ককাইদেউ? ইমান ধুনীয়াকৈ গান গাব জানে! শুনি থাকিবৰেই মন যায়।

গান গোৱা শেষ হোৱাৰ পিছত বিনোদ বাহিৰলৈ আহিল। অপূৰ্ব্বই লগ পাই কলে—

: শুনিছানে বিনোদ, তোৰ গান কেইটাত এই ছোৱালীজনীয়ে একেবাৰে মুগ্ধ হৈ বোধহয় এতিয়া গানৰ প্ৰেমত পৰিল। তোৰ গান কেইটা বোলে বৰ ধুনীয়া হৈছে।

দুয়ো বৰ হাঁহি দিলে। মাধৱীয়ে লাজতে ৰঙাপৰি মনে মনে থাকিল। মনতে ভাবিলে কক-

য়েকক আজি তাই ঘৰত ভ'লকৈ কেইষাৰমান শুনাই দিব। এনেতে বিনোদে লাহেকৈ কলে—

: তোমাৰ নাম কি ভন্টি?

: মাধবী।

: কোন ক্লাচত পঢ়া?

: ক্লাচ এইট্ত।

: চোৱা, নামটো তোমাৰ কিমান ধুনীয়া। ঠিক মাধবী লতাৰ দৰে ওপৰলৈ উঠি যাব লাগিব দেই ভন্টি।

মাধবীয়ে একো নকলে। মাত্র তলমূৰা হৈ মুখ টিপি হাঁহিলে।

: বাৰু অপূৰ্ব্ব একোকাপ চাহকে খাওঁ ব'ল। বৰ ঠাণ্ডা লাগিছে।

: ব'ল ভাই' এই ৰাক্ষসীজনীও খাওঁ খাওঁ মূৰ্ত্তি ধৰি আছে। চাচোন?

এইবাৰ কিন্তু মাধবীয়ে থিৰে থাকিব নোৱাৰি খং ভাবেৰে কলে—

: ককাইদেউৰ এই স্বভাবটো সকৰে পৰা নগ'ল। এতিয়া ইমান ডাঙৰ হৈছে লাজ কাক বোলে নাজানে। যেই সেই কথা কলে আমাৰ জানো লাজ নালাগে?

অৱশ্যে অপূৰ্ব্ব এজন প্ৰাণখোলা ল'ৰা। কেতিয়া কি কথা কব লাগে নেজানে। আপোন-পৰ তাৰ নাই। মুখত যি ওলাই তাকে কৈ পেলায়—। ক্লাচত যে কত কি কথা কয়! ল'ৰাবোৰক কেবল হঁহুৱাই থাকে। আনকি প্ৰফেচাৰেও নেহাঁহি থাকিব নোৱাৰে।

চাহ খাই উঠি দুজনে সিজনৰ পৰা বিদায় ললে। বিদায়ৰ সময়ত মাধবীয়ে বিনোদক কলে—

: কাইলৈ, ককাইদেউৰ লগত আমাৰ পিনে এবাৰ যাব।

: চওঁ বাৰু। এইবুলি বিনোদে আশ্বাস দি থলে।

পিচদিনাখন অপূৰ্ব্বই বিনোদক জোৰ কৰি কলেজৰ পৰা সিহঁতৰ ঘৰলৈ নিলে। এনেকৈ কিছু-দিন অহা যোৱা কৰাৰ পিছত অতি কম দিনৰ ভিতৰতে বিনোদ সিহঁতৰ ঘৰৰ অতি আপোন হৈ পৰিল। মাধবীৰ মাক-দেউতাকেও তাক বৰ মৰম কৰিবলৈ ধৰিলে। প্ৰায়েই সিহঁতৰ ঘৰত বিনোদে ভাত খ'বলৈ বাধ্য হয়।

মাধবীয়ে বিনোদক গান আৰু হাৰমনিয়ম্ শিকা-বলৈ অনুৰোধ কৰিলে। সেয়েহে মাধবীয়ে দেউ-তাকক এটা হাৰমনিয়ম্ আনিবলৈ কলে। একমাত্র ছোৱালী মাধবীৰ কাৰণে দেউতাকেও হাৰমনিয়ম্টো আনি দিলে। মাধবীৰ অনুৰোধ এৰাব নোৱাৰি বিনোদে গান শিকাবলৈ আৰম্ভ কৰিলে। বিনোদৰ চেষ্টাত মাধবীয়ে ধুনীয়া ধুনীয়া গান গাব পৰা হ'ল। আনকি সাংস্কৃতিক অনুষ্ঠান বিলাকতো যোগ দিয়া হ'ল। সঙ্গীত প্ৰতিযোগিতাতো প্ৰায়েই মাধবীয়ে প্ৰথম পুৰস্কাৰ পাবলৈ ধৰিলে। সকলো আচৰিত হ'ল মাধবীৰ গানত মুগ্ধ হৈ। মাধবীক শিকোৱা এই গান মাষ্টৰজন বাৰু কোন? অৱশেষত লগৰ ছোৱালী বিলাকে জানিব পাৰি মাধবীক 'বিনোদ' বুলি ঠাট্টা কৰিবলৈ ধৰিলে।

বিনোদ স্বভাৱতে লাজকুৰীয়া আৰু তাৰ স্বভাৱ চৰিত্ৰ খুউব ভাল আছিল। সেয়েহে মাধবীৰ লগত ফুৰা - চকা; চিনেমা চোৱা, গান গোৱা সাংস্কৃতিক অনুষ্ঠান আদিত যোগ দিয়া-কাৰ্য্যত অপূৰ্ব্ব নাইবা মাক-দেউতাকে কোনো সন্দেহ নকৰিছিল। কিন্তু মাধবী আৰু বিনোদৰ মাজত এক নতুন শিহৰণ জাগি উঠিল। সিহঁতে দুজনে সিজন-

পাবলৈ বিচাৰিলে। বিনোদে ক্ৰমান্বয়ে অন্তৰৰ পৰা মাধৱীক ভাল পাবলৈ ধৰিলে। মাধৱীয়ে কিন্তু সেই জ্যোৎস্নানিশা পৰিচয় হোৱাৰ দিনাৰ পৰাই বিনোদৰ সান্নিধ্য বিচাৰি আছিল। কিন্তু বিনোদে বেয়া পাব বুলি মাত্ৰ এটা কথা কোৱা নাছিল আৰু সেইটো হ'ল জীৱনৰ লগৰীয়া কৰি লোৱাটো। বিনোদেও মাধৱীয়ে বেয়া পাব বুলি কোৱা নাছিল। কিন্তু কালৰ সোঁতত সিহঁতৰ অন্তৰৰ বেদনা নীৰৱেই মাৰ গ'ল। মাধৱীৰ মনত আছে এদিন তাই বিনোদক কৈছিল ~।

: বিনোদ দা, আপুনি দিয়া এই গানৰ সুৰ জানো আজীৱনলৈ আপোন কৰি লব পাৰিম? দুয়োৰো প্ৰাণৰ সুৰ দুটা জানো এটা সুৰত পৰিণত হব?

বিনোদে ইয়াৰ অৰ্থ বুজি নোপোৱাকৈ মিহি ক'লা চুলিতাৰিৰ ওপৰেৰে হাত বুলাই কৈছিল–·

: পাৰিবা মাধৱী। কিয় নোৱাৰিবা। জীৱন থাকে মানে আমাৰ সুৰ এটা হৈয়ে থাকিব।

সময়ৰ সোঁতত মাধৱীৰ মাক-দেউতাকে তাইৰ বিয়া পাতিলে। মাধৱীয়ে বিনোদক সকলো খবৰ জনাই বিয়ালৈ নিমন্ত্ৰণ কৰিলে। বিনোদে অৱশেষত উপায় নেদেখি ধীৰ মনেৰে নিজৰ জীৱনত মাধৱীৰ সৈতে ঘটা কথা বিলাকক 'নীৰৱ বেদনা' নাম দি কিতাপখনি উপহাৰ দিলে।

অৱশেষত মাধৱীৰ বিয়াখন পাৰ হৈ গ'ল। এইবোৰ ভাবি থাকোতে হঠাতে বাহিৰত দুৱাৰ খনত টুকুৰিয়া শব্দ শুনিবলৈ পালে। চকু দুটা মোহাৰি মোহাৰি বেমাৰী মানুহৰ দৰে উঠি গৈ মাধৱীয়ে দুৱাৰখন খুলি দিলে। প্ৰায় চাৰিটা বাজিছে। দেখে গিৰিয়েক বৈ আছে।

: শুই আছিলা নেকি?

মাধৱীয়ে উত্তৰ দিলে— : হয়।

*



# পোক


শ্ৰীদিলীপ কুমাৰ দত্ত
তৃতীয় বাৰ্ষিক, বিজ্ঞান।


গীৰালত থকা বাঘ এটাক বাৰে বাৰে বাহিৰৰ পৰা খুঁচি থাকিলে তাৰ চকুত যি এটা দৃষ্টি ফুটি উঠে ঠিক তেনে এক দৃষ্টিয়েই দেখা গ'ল পবিত্ৰৰ চকুত্বো। কিন্তু গৰালত থোৱা বাঘটোৰ দৰে সিও একো কৰিব নোৱাৰে। ৰাতিপুৱা শুই উঠি মুখখন ধুই আহি যেতিয়া সি মেজখনৰ ওচৰত বহিছিল, তেতিয়া তাৰ মনটো কিছুপৰিমাণে, অন্ততঃ যোৱা ৰাতিৰ তুলনাত যথেষ্ট ভাল হৈয়ে আছিল। কিন্তু

ভনীয়েকে একাপ ফিকা চাহ আৰু এচকল শুকান ৰুটি লৈ অহাৰ লগে লগেই তাৰ খংটোও টিঙিচ্‌কৈ মূৰত উঠি গ'ল। ধেৎতেৰি, হ'ল বুলি আৰু এইবোৰ বস্তুও খাব পাৰিনে ? ঘৰখনৰ অৱস্থা সি বুজে, কিন্তু সেইবুলি ···· ···· ···· ···· । মাক বাপেকৰ প্ৰতি তাৰ এটি অবুজ খং উঠি আহিল। ল'ৰা ছোৱালীক খুৱাব পিন্ধাব নোৱাৰে যদি জন্ম দিয়ে কেলেই ? এইবোৰ ভাবি তাৰ মাক বাপেকৰ প্ৰতি কিছুমান অসভ্য গালি ওলাই আহিব খুজি জিভাৰ আগত বৈ গ'ল— আৰু সেইবোৰ উচ্চাৰণ কৰাৰ তীব্ৰ ইচ্ছাৰ পৰা নিজকে সি বিৰত কৰিলে ············

এইপিনে সি এইবোৰ ভাবি থাকোঁতেই দুৱাৰ মুখত, এসময়ত কি ৰঙৰ আছিল ধৰিব নোৱাৰা, উৰলি যোৱা পৰ্দাখনত এহাতেৰে ধৰি, এহাতেৰে খুলি যাব ধৰা পেণ্টটোত ধৰি, ন.কত মস্ত দুটা সেঙুনৰ টোপালৰৈলে তাৰ চাৰি বছৰীয়া সৰু ভনীয়েক দুৱাৰ মুখত হাজিৰ হ'ল আৰু প্লেটখনৰ ওপৰত নিজৰ সতৃষ্ণ দৃষ্টি ৰাখি নাকৰ সেঙুন উজাৰলৈ ধৰিলে।

পবিত্ৰৰ মুৰৰ বিষটো আৰম্ভ হৈছিল। মূৰটোত যেন এটা সৰু পোক সোমাই টিঘিল্-ঘিলাই ফুৰিছিল।

সি ৰুটি টুকুৰা হাতত লৈ ভনীয়েকৰ গালৈ মাৰি পঠিয়ালে। অৱশ্যে তাৰ মুখৰ ভাৱৰ পৰা ধৰিব নোৱাৰি সি খঙত এইখন কৰিলে নে পুৰৌয়েই কৰিলে। এনেসময়তে ক'ৰবাৰ পৰা সকলো লক্ষ্য কৰি থকা তাৰ সৰু ভায়েকটোও লৰি আহি সেই শুকান, কট্ কটীয়া টান হৈ যোৱা ৰুটি টুকুৰাৰ বাবে ভনীয়েকৰ লগত টনা আজোৰা লগালে।

সি কি কৰিব একো ঠিৰাং ক'ৰিব নোৱাৰি নিৰ্বিকাৰ হৈ সকলো চাই থাকিল। তাৰ খঙো উঠিল লগে লগে দুখো লাগিল। সি জানে তাক দিয়া সেই ৰুটিৰ ভাগ ভনীয়েকহঁতে নাপায়। ডাঙৰ পুতেক হিচাবে মাকে তাক সেইখিনি 'স্পেচিয়েল'হে দিছিল।

এইপিনে কাজিয়া ইতিমধ্যে একপক্ষীয় হৈছিল— মানে তাৰ ভায়েকে ভনীয়েকক যুদ্ধত পৰাস্ত কৰি, ৰুটি টুকুৰাৰ প্ৰায় বেচি অংশ নিজৰ কবললৈ আনি, সেই ঠাইত আৰু বেচিপৰ থাকিলে বিপদৰ আশংকা হব পাৰে বুলি ভাবি— যিপিনেৰে আহিছিল সেইপিনেৰে, বিপুল বিক্ৰমেৰে, হুৰ হুৰাই, মেদিনী কঁপাই পলাই ফাট মাৰিলে। এইপিনে যুদ্ধত সৰ্বশ্ৰান্ত হোৱা তাৰ ভনীয়েকে—ওচৰ চুবুৰীয়া ল'ৰা ছোৱালীৰ মুখত শুনি নতুনকৈ শিকা গালি কেইটামান ভায়েকৰ উদ্দেশ্যে দি, যি হবৰ আছিল সেয়ে হৈ গ'ল বুলি ভাগাক দুখি মনক সান্ত্বনা দি, নিজৰ বাকীৰোৱা খিনিকে পৰম বস্তুৰ দৰে— নিগনিৰ দৰে কুট কুট খাবলৈ ধৰিলে।

তাৰ মগজৰ পোকটোৱে ইতিমধ্যে কামুৰিব আৰম্ভ কৰিছিল আৰু সেই পৰিবেশত থকাটো তাৰ কাৰণে অসম্ভৱ হৈ পৰিছিল। সেয়ে পিন্ধি থকা পেণ্টটোৰ ওপৰতে চাৰ্ট পিন্ধি এটা উদ্দেশ্যহীন ভাৱে সি ৰাস্তালৈ ওলাই আহিল।

হৰিহৰৰ পানদোকানৰ আগত আহি সি যেতিয়া ঠিয় দিয়ে, তেতিয়া দোকানৰ এচুকত থোৱা টেবুল ঘড়ীটোত ন টা বাজিবলৈ পাচমিনিট বাকী।

"গুদ্ মৰ্নিং হৰিহৰ কাই।"

"অ', অ' গুদ মৰ্নিং"— মুখেৰে তাৰ সম্ভাষণৰ উত্তৰ জনালেও হৰিহৰৰ ভিতৰি ভিতৰি খং উঠিল। 'গুদ্ মৰ্নিং চেলাবলৈ আহিছে— অথচ বাকীৰ পইচা খিনিকে দিব পৰা নাই। এতিয়া হৰহ চিগাৰেট, নস্য তামোলকে এখন খুজেহে— আজিও যে পইচা দিব তাৰোতো আশা নাই!।'

পবিত্ৰই তীক্ষ্ণ দৃষ্টিৰে হৰিহৰৰ মুখৰ পিনে চাই তাৰ মনৰ ভাৱ বুজিবলৈ চেষ্টা কৰিছিল, মানে বাকী খুজিব পৰা অৱস্থাত হৰিহৰ আছেনে নাই?

"হৰিহৰ কাই— দে অ' এটা" — এনেকৈ কালই সাধাৰণতে হৰিহৰে বুজে যে তাক এটা চিগাৰেট লাগে আৰু এইটোও জানে যে 'পানামা'ৰ বাহিৰে অইন চিগাৰেট পবিত্ৰই নাখায়। আজি কিন্তু হৰিহৰে একো নুবুজাৰ ভাওঁ ধৰি, আধা খঙত আধা নিৰ্লিপ্ততাৰ সুৰত সুধিলে— "কি দে অ' দে অ' কৰি আছ অ'।"

"দে চিগাৰেট এটা দি বে, আজি চাহখিনিকে খোৱা ন'হল বে। নকৰি আৰু ঘৰটোত থকনো শান্তি নাই। এইপিনে বুঢ়াও (বাপেকক বুঢ়া বুলিয়েই কয়) ঘৰতে আছে, থকা গম পালে মাতি নি 'লেকচাৰ' জুৰেহে— সেয়ে ওলায়েই আহিলো।" বেলেগ কথাৰ মাজত ক'লে বাকীৰ কথাটো পাহৰিব পাৰে বুলি-

য়েই সি আত্মীয়তাৰ সুৰত হৰিহৰৰ লগত মেল জুৰিলে।

হৰিহৰে কিন্তু বাকীৰ কথা পাহৰা নাছিল। "বেয়া চেগা নেপাবি, মই আৰু বাকী দিব নোৱাৰো। তই আগৰ এটকা পইত্রিশ পইচাকে দিব পৰা নাই— এনেকৈ দোকান নচলে নহয় আৰু মইতো কোনো জমিদাৰৰ ল'ৰা নহওঁ যে বহি থাকিলেই খাব পাম .... .... .... ।"

হৰিহৰে কিবাকিবি আৰু এসোপামান কলে- হেঁতেন, কিন্তু তাক আৰু বেচি আগবাঢ়িব নিদি পবিত্রই অলপ কর্তৃত্বৰ সুৰতেই কলে—

"অ, অ, বৰ বেচি কথা নকবি। তোৰ এইখিনি পইচা খাই পলাই যাম নেকি বে ? তোৰ এই দোকানতে কত লাখ লাখ টকা দলিয়ালো আৰু তই ছয় পইচা বাকী নিদিয়া হলি।"

'লাখ টকা ? যাৰ খাবৰ যোগাৰ নাই সি আকৌ লাখ টকাৰ কথা কয়'— হৰিহৰ ভাবিলে। কিন্তু মুখত একো নকলে— কাৰণ এইকেইটা ল'ৰাৰ লগত অন্ততঃ- অলপ ভাবি চিন্তি চলিব লাগে ইহঁতক ৰিব খুজিলে নোৱাৰা কাম একো নাই। উঠাও বুলিলে দোকানকে উঠাই দিব। অৱশ্যে পবিত্র আগতে এনেকুৱা নাছিল, মানে আজি কালিহে দেখোন অলপ বেচি বেচি কৰে। তাৰোপৰি তাৰ দোকানত আগতে তীৰৰ 'বুকি' থাকোতে মাজে সময়ে ইহঁতে টিকট চিকট বেচি দি কম সহায় কৰিছিলনে? — তীৰ খেলা উঠি গ'ল বুলিহে। "এঃ পবিত্রকুমাৰ। তই দেখোন খং খাই উঠিলি— মই মানে এনেয়ে ধেমালিহে কৰিছিলো।"—

—হৰিহৰে চিগাৰেট এটা উলিয়াই দোকানৰ কুকিচ্, বিস্কুট থোৱা টিংটোৰ ওপৰত থৈ কলে।

চিগাৰেটটো লৈ কাষৰ খুটাটোত ওলোমাই থোৱা ৰচিদালৰ জুইৰে জ্বলাই লৈ, দুহোপামান মাৰি ধোঁৱাখিনি লাহে লাহে এৰি দি পবিত্রই সুধিলে- "কৈলাশ হঁতক দেখিছনে আজি ?"

হৰিহৰে আচলতে সিহঁতক কাকো দেখা নাছিল। কিন্তু পবিত্র দোকানৰ আগৰ পৰা যাওক বুলিয়েই সি কলে— "জানো। অলপ আগতে এইপিনে যোৱা যেন পাইছিলো।" কাৰণ হৰিহৰে জানে পবিত্র ইয়াত থাকিলে ইয়াৰ লগৰ আটাইসোপা ইয়াতে সোমাব, তামোল, চিগাৰেট খাব; পইচা কিন্তু এটায়ো নিদিয়ে তাৰোপৰি ইহঁত কেইটা থাকিলে দোকানত অইন গ্রাহকো নোসোমায়।

পবিত্র দোকানত ওলোমাই থোৱা আইনা-খনত চাই, পকেটৰ পৰা ফনিখন উলিয়াই ভালকৈ মূৰটো আঁচুৰি ল'লে আৰু অলপ দূৰত, ছোৱালী হাইস্কুল খনৰ সন্মুখত থকা হৰিভক্ত দেচুৱালীৰ চাহ দোকানৰ পিনে খোজ ললে। সেইখন দোকা-নেই সিহঁতৰ আড্ডাৰ মূল ঘাটি- মানে সিহঁতৰ ভাষাত 'হেড অফিচ।'

স্কুল বহিবৰ সময় হৈছে। ছোৱালীবোৰ দুজনী, তিনিজনাকৈ জাক পাতি স্কুললৈ আহিব ধৰিছে। কৈলাশহঁত নিশ্চয় এইখিনি সময়ত অন্ততঃ দোকানত আহিবই। সি কিছুদূৰৰ পৰাই হৰিভক্তৰ 'ৰেষ্টোৰা'ত (ৰেষ্টোৰাখন অৱশ্য ৰাতি হোৱাৰ লগে লগে 'বাৰ'লৈ পৰিবর্ত্তিত হয়) "আবে, আমি অসমীয়া" পাৰ্টিৰ চিঞৰ বাখৰ শুনিবলৈ পালে। চিঞৰৰ শব্দটো সেইসময়ত অলপ বেচি হৈছিল কাৰণ সেই-সময়ত দোকানৰ সন্মুখেদি দুজনী 'টপ মডেল' পাৰ হৈ গৈছিল।

সি দোকানত ভৰি-দিয়াৰ লগে লগেই আটাই কেইটাই একমুখে তাক সম্ভাষণ জনাই কৈ উঠিল—